গোট-২

অধ্যায়-৪

# লোক বসতি
# (Human Settlement)

জনবসতি মানে হ'ল হ'ল যিকোনো আকাৰ আৰু আকৃতিৰ স্তূপীকৃত গৃহৰ সমষ্টি য'ত মানুহ বাস কৰে। এনে উপলক্ষে মানুহে যিকোনো আৰ্হিৰ গৃহ আৰু অন্যান্য গাঁথনি সাঁজি এটা নিৰ্দিষ্ট অঞ্চল দখল কৰি অৰ্থনৈতিক অধিকাৰ সাব্যস্ত কৰে। সেইদৰে জনবসতি প্ৰক্ৰিয়াবোৰত মানুহৰ সমষ্টি বা গোট হৈ পৰিসীমা নিৰ্ধাৰণৰ জৰিয়তে সম্পদৰ ভেটি (resource base) গঢ়ি উঠে।

জনবসতিৰ আকাৰ আৰু প্ৰকাৰ (type) বিভিন্ন হ'ব পাৰে। জনবসতি এখন সৰু গাঁৱৰ পৰা আৰম্ভ কৰি এখন বৃহৎ মহানগৰপৰ্যন্ত হ'ব পাৰে। আকাৰৰ পৰিবৰ্তনৰ লগে লগে অৰ্থনৈতিক চৰিত্ৰ আৰু সামাজিক সংৰচনাৰও (Structure) পৰিবৰ্তন হয়। আনকি ইয়াৰ পৰিস্থিতি (ecology) আৰু প্ৰযুক্তিৰো সলনি হোৱা দেখা যায়। জনবসতিত গাঁওবোৰ ক্ষুদ্ৰকায় আৰু বিক্ষিপ্তভাৱে অৱস্থিত হোৱাৰ উপৰি কেতিয়াবা বৃহৎ আকাৰৰ আৰু কেন্দ্ৰীভূত হৈ থকা পৰিলক্ষিত হয়। আঁতৰ আঁতৰকৈ অৱস্থিত সৰু সৰু বসতিস্থলবোৰক গাঁও বোলা হয়। গাঁৱৰ মানুহবোৰৰ জীৱিকাৰ উপায় প্ৰধানত কৃষিভিত্তিক নাইবা অন্য প্ৰাথমিক বৃত্তি। আনহাতে কিছুমান ডাঙৰ বসতিস্থল আছে য'ত মানুহৰ প্ৰধান বৃত্তি দ্বিতীয়ক, তৃতীয়ক আৰু চতুৰ্থক (quartarnary)। এইবোৰক পৌৰবসতি বোলা হয়। গাঁও আৰু পৌৰ বা নগৰীয়া বসতিৰ মুখ্য পাৰ্থক্যবোৰ হ'ল—

গ্ৰাম্যবসতিত জীৱন-ধাৰণৰ বাবে প্ৰয়োজনীয় অৰ্থনৈতিক সামগ্ৰীবোৰ ভূমিৰ ওপৰত আধাৰিত অৰ্থনৈতিক বৃত্তিৰ দ্বাৰা আহৰণ কৰে; আনহাতে পৌৰ বসতিত মানুহবোৰে কেঁচামাল প্ৰক্ৰিয়াকৰণ আৰু এহাতে দ্ৰব্যৰ ঔদ্যোগিক উৎপাদন আৰু আনহাতে বিভিন্ন প্ৰকাৰৰ বৃত্তিগত সেৱাত নিয়োজিত হৈ থাকে।

চহৰবোৰে অৰ্থনৈতিক বৰ্ধন গ্ৰন্থি হিচাপে কাম কৰে। নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ যোগান ধৰে, বাসিন্দাসকলক বিভিন্ন প্ৰকাৰৰ সেৱা আগবঢ়োৱাৰ উপৰি কেউকাষে অৱস্থিত গ্ৰাম্য অঞ্চলৰ লোকসকলক খাদ্য-সম্ভাৰ আৰু কেঁচা সামগ্ৰীৰ যোগানৰ বিনিময়ত বিভিন্ন সেৱা আগবঢ়ায়। এই সকলোবোৰ কাৰ্যকৰী সম্পৰ্ক যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ মাধ্যমেৰে সম্পন্ন কৰা হয়।

সামাজিক সম্পৰ্ক মনোভাব আৰু দৃষ্টিভংগীৰ ক্ষেত্ৰতো গ্ৰাম্য আৰু পৌৰবসতিৰ মাজত যথেষ্ট প্ৰভেদ দেখা যায়। গাঁও অঞ্চলৰ লোকসকলৰ গতিশীলতা সাধাৰণতে কম আৰু সেয়েহে তেওঁলোকৰ কামত সামাজিক সম্পৰ্ক অতি মধুৰ। আনহাতে নগৰীয়া অঞ্চলত জীৱন যাত্ৰাৰ প্ৰণালী জটিল আৰু খৰতকীয়া আৰু সামাজিক সম্পৰ্কও কেৱল আনুষ্ঠানিক।

## • গ্ৰাম্য বসতিৰ প্ৰকাৰ ঃ

নিৰ্মিত অঞ্চল আৰু আন্তঃবাসগৃহৰ দূৰত্বৰ ওপৰত নিৰ্ভৰ কৰি বসতিস্থানৰ প্ৰকাৰ নিৰ্ধাৰণ কৰা হয়। ভাৰতবৰ্ষত কেইবাশ গৃহৰ কেন্দ্ৰীকৃত গাঁও এটা সাধাৰণ অৱয়ব। উত্তৰ ভাৰতৰ নদী গঠিত পলসুৱা সাৰুৱা ভূমিত এনে কেন্দ্ৰীভূত বাসস্থান সততে দেখা যায়। যেই হওক, আন কিছুমান অঞ্চলত অন্য আকৃতিৰ গ্ৰাম্য বসতি আছে। ভাৰতবৰ্ষত বিভিন্ন প্ৰকাৰৰ লোকবসতি বিৰাজমান। ইয়াৰ মূলতেই আছে কিছুমান কাৰক আৰু অৱস্থা। সেইবোৰ হ'ল—


(i) প্ৰাকৃতিক অৱয়ব, যেনে ভূপৃষ্ঠৰ প্ৰকৃতি, সমুদ্ৰ পৃষ্ঠৰ পৰা উচ্চতা, জলবায়ু, ব্যৱহাৰযোগ্য পানীৰ যোগান, (ii) সাংস্কৃতিক কাৰক-সামাজিক সংৰচনা, জাতি আৰু ধৰ্ম; (iii) সুৰক্ষাজনিত কাৰক— চোৰ, ডকাইত আদিৰ পৰা প্ৰতিৰক্ষাৰ ব্যৱস্থা। ভাৰতবৰ্ষৰ গ্ৰাম্য বসতি প্ৰধানকৈ চাৰি প্ৰকাৰৰ—

- কেন্দ্ৰীকৃত বসতি বা পুঞ্জিত বসতি
- উপকেন্দ্ৰীকৃত বা খণ্ডীকৃত বসতি
- সৰু গাঁও (hamleted) বসতি
- বিৰল বসতি

**কেন্দ্ৰীকৃত বসতি ঃ**

কেন্দ্ৰীকৃত বসতিত কেইবাঘৰ মানুহ একেলগে থুপ খাই বাস কৰে। কৃষি-পথাৰ নাইবা চৰণীয়া পাহাৰৰ পৰা পৃথক এই গ্ৰাম্য আবাসস্থলবোৰ কিছুমান জ্যামিতিক আকাৰত সিঁচৰতি হৈ থকা দেখা যায়। বৰ্গক্ষেত্ৰ ঘূৰণীয়া, ৰৈখিক, তৰাৰূপী বসতি আদি বিভিন্ন প্ৰকাৰৰ গ্ৰাম্য বসতিৰ উদাহৰণ। এনেধৰণৰ বসতি ভাৰতৰ উত্তৰৰ বিশাল পলসুৱা সমভূমি অঞ্চল আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত দেখা যায়। বুণ্ডেলখণ্ড মালভূমি আৰু নাগালেণ্ডৰ পাহাৰীয়া অঞ্চলত প্ৰতিৰক্ষাৰ কাৰণে বাসগৃহবোৰ একেলগে থুপ খাই থাকে। ইয়াকেই পুঞ্জিত বসতি বোলে। ৰাজস্থানৰ মৰুভূমি অঞ্চলত পানীৰ অভাৱ। সেয়েহে মানুহবোৰে পানী থকা অঞ্চলৰ আশে-পাশে ঘৰ সাজি বাস কৰে।

**উপকেন্দ্ৰীকৃত বসতি ঃ**



*চিত্ৰ ৪.২ ঃ উপকেন্দ্ৰীকৃত বসতি*

কেতিয়াবা কোনো ডাঙৰ কেন্দ্ৰীকৃত গাঁও বিভিন্ন কাৰণত বিভক্ত হৈ খণ্ড খণ্ডকৈ বাস কৰাৰ বাসনা বাস্তৱায়িত কৰে। এইক্ষেত্ৰত গ্ৰাম্য সমাজৰ এটা অংশই স্ব-ইচ্ছাই নাইবা কোনো বাধ্য-বাধকতাৰ বাবে মূল বসতিস্থলৰ পৰা অলপ আঁতৰত বসবাস কৰিবলৈ লয়। এনেক্ষেত্ৰত সাধাৰণতে প্ৰভাৱশালী গোটটোৱে কেন্দ্ৰস্থলত থাকি অকল দুৰ্বল দলবোৰক আঁতৰৈলৈ যাবলৈ বাধ্য কৰায়। শাৰীৰিক পৰিশ্ৰম কৰা সমাজৰ নিম্নশ্ৰেণীৰ লোক হিচাপে পৰিগণিত হোৱা লোকসকল সাধাৰণতে মূল গাঁওখনৰ অনতিদূৰলৈ গৈ বসবাস কৰিবলৈ লয়। ভাৰতৰ গুজৰাট সমভূমি আৰু ৰাজস্থানৰ কিছুমান ঠাইত উপকেন্দ্ৰীকৃত বসতি পৰিলক্ষিত হয়।

**ক্ষুদ্ৰাকৃতিৰ গ্ৰাম্য বসতি ঃ**

ভাৰতবৰ্ষৰ কিছুমান ঠাইত জনবসতি একোটা নামেৰে সৰু-বৰ বিভিন্ন গোটত বিভক্ত হৈ থাকে। ভাৰতৰ বিভিন্ন প্ৰদেশত স্থায়ীভাৱে এনে গোটবোৰক চুবা, পাৰা, পান্না, পাল্লি, নাগলা, ধানি আদি বিভিন্ন নামেৰে জনা যায়। গাঁওবোৰৰ এনে বিভাজন সামাজিক আৰু গোষ্ঠীগত কাৰকৰ দ্বাৰা প্ৰভাৱান্বিত। অসমৰ কিছুমান গাঁৱত থকা হীৰাপাৰা, মালীপাৰা, বামুণপাৰা, কৈৱৰ্তপাৰা, কলিতাপাৰা, গণকপাৰা আদি নাম সামাজিক আৰু গোষ্ঠীগত কাৰকৰ দ্বাৰা প্ৰভাৱান্বিত হোৱাৰ উদাহৰণ। ভাৰতৰ গংগা সমভূমিৰ নিম্নাংশ, ছত্তীশগড় আৰু হিমালয়ৰ নামনিৰ উপত্যকাত সঘনাই দেখা যায়।

**বিৰল বসতি ঃ**

বিৰল বসতিৰ গাঁওবোৰ ক্ষুদ্ৰাকৃতিৰ আৰু বিক্ষিপ্তভাৱে অৱস্থিত। অৰ্থনৈতিক দিশত অতি পিচপৰা অৰণ্যৰ মাজে মাজে থকা মুকলি ঠাই, নাইবা পাহাৰৰ মসৃণ ঢালত কৃষিজীৱী নাইবা পশুপালকসকলে সৰু সৰু জুপুৰি সাজি বাস কৰে। খেতি-বাতিৰ বাবে উপযুক্ত মাটিৰ অভাৱ থকা অঞ্চলবোৰত এই বসতি দেখা যায়। পাহাৰীয়া আৰু অসমান ভূপ্ৰকৃতিযুক্ত অঞ্চলবোৰত জীৱন নিৰ্বাহ কষ্টকৰ। সেয়েহে জনবসতি বিৰল হয়। আনহাতে আকৌ যিবোৰ দেশত খেতিপথাৰ অতি বিস্তৃত, জনসংখ্যা কম তেনে ঠাইত বিৰল বসতি পোৱা যায়। অৰুণাচল প্ৰদেশ, মেঘালয়, উত্তৰাঞ্চল, হিমাচল প্ৰদেশ, কেৰালা আদি ৰাজ্যত বিৰল বসতি দেখা যায়। অসমৰ পাহাৰীয়া জিলা দুখনত অধিকাংশ ঠাইতেই বিৰল বসতি বিৰাজমান। বিৰল বসতিৰ অন্য এক ৰূপ হৈছে নিৰল বসতি (isolated settlement)। এই বসতি আঁতৰে আঁতৰে সিঁচৰতি অৱস্থাত একোটা অকলশৰীয়া পৰিয়ালৰ নিৰল বসতি। কৃষিকাৰ্যৰ সুবিধাৰ বাবে প্ৰতিজন কৃষকে নিজৰ পথাৰখনৰ মাজত নাইবা এচুকত ঘৰ বান্ধি থাকে।

**নগৰীয়া বা পৌৰ বসতি ঃ**

পৌৰ বসতি সাধাৰণতে স্তূপীকৃত আৰু আকাৰত ডাঙৰ। পৌৰ বাসিন্দাসকল কৃষি, মাছমৰা, পশুপালন আদিৰ বাদে অন্য অৰ্থনৈতিক আৰু প্ৰশাসনিক বৃত্তিৰ সৈতে জড়িত। চৌদিশে অৱস্থিত গ্ৰাম্য অঞ্চলৰ লগত পৌৰ বসতিৰ প্ৰকাৰ্য সাঙোৰ খাই থাকে। বিভিন্ন প্ৰকাৰৰ দ্ৰব্য আৰু সামগ্ৰীৰ বিনিময় কেতিয়াবা পোনপটীয়াকৈ আৰু কেতিয়াবা কিছুমান সাপ্তাহিক, দৈনিক বজাৰ আদিৰ জৰিয়তে সমাধান কৰা হয়। সেয়েহে নগৰ আৰু চুবুৰীয়া গাঁওবোৰ বিভিন্ন প্ৰকাৰে ওতপ্ৰোতভাৱে সম্পৰ্কিত হৈ থাকে। **মানৱ ভূগোলৰ বুনিয়াদ** শীৰ্ষক পুথিখনৰ ১০ অধ্যায়ত তোমালোকে নগৰৰ সংজ্ঞা চাব পাবা।

**ভাৰতবৰ্ষত নগৰৰ উৎপত্তি ঃ**

প্ৰাক ঐতিহাসিককালৰ পৰাই ভাৰতত নগৰৰ বিকাশ সম্পৰ্কে তথ্য পোৱা যায়। সিন্ধু উপত্যকাৰ সভ্যতাত হৰপ্পা আৰু মহেঞ্জদাৰো নামেৰে দুখন প্ৰাচীন নগৰত ভগ্নাৱশেষ আৱিষ্কাৰ কৰা হৈছে। তাত উল্লেখ কৰা তিনিওটা যুগতেই নগৰৰ উত্থান হোৱা দেখা গৈছে। খ্ৰীষ্টিয় ওঠৰ শতিকাত বৃটিছসকলৰ আগমনৰ সময়লৈকে নগৰবোৰৰ উত্থান-পতন হৈ আছিল। বিভিন্ন যুগত হোৱা উত্থানৰ ভিত্তিত ভাৰতৰ নগৰসমূহক তিনিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি—

পৌৰাণিক নগৰ

মধ্যযুগীয় নগৰ আৰু

আধুনিক নগৰ

Dailyassam.com

ভাৰতবৰ্ষত বৰ্তমান কেইবাখনো নগৰ প্ৰায় ২০০০ বছৰৰ পুৰণি। ইয়াৰ অধিকসংখ্যক নগৰ ধৰ্মীয় আৰু সাংস্কৃতিক প্ৰকাৰ্যৰ ভিত্তিত গঢ়ি উঠিছিল। বাৰানসী, প্ৰয়াগ (এলাহাবাদ), পাটলিপুত্ৰ (পাটনা), মাদুৰাই, পুৰী আদি ইয়াৰ উদাহৰণ।

**মধ্যগীয় চহৰ ঃ**

বৰ্তমান ভাৰতবৰ্ষত থকা প্ৰায় ১০০ খনমান চহৰ মধ্যযুগত গঢ়ি উঠিছিল। ইয়াৰ অধিকসংখ্যকেই ৰাষ্ট্ৰীয় ৰাজধানী হিচাপে গঢ়ি উঠিছিল। এইবোৰ আছিল দুৰ্গ-চহৰ (Fort town) পুৰণি ধ্বংসপ্ৰাপ্ত দুৰ্গবোৰ ধ্বংসাৱশেষৰ ওপৰত এই চহৰবোৰ গঢ়ি উঠিছিল। দিল্লী, হায়দৰাবাদ, জয়পুৰ, লক্ষ্ণৌ, আগ্ৰা আৰু নাগপুৰ ইয়াৰ উদাহৰণ।

**আধুনিক চহৰ ঃ**

বৃটিছ আৰু ইউৰোপীয় লোকসকলে ভাৰতত কেইবাখনো চহৰ গঢ়ি উঠাত অৰিহণা যোগাইছিল। ভাৰতত পদাৰ্পণ কৰিয়েই তেওঁলোকে খোপনি পোতাৰ উদ্দেশ্যেৰে উপকূলীয় অঞ্চলত কেইখনমান ব্যৱসায়িক আৰু প্ৰশাসনিক বন্দৰ-চহৰ (Port town) স্থাপন কৰিছিল। চুৰাট, গোৱা, পণ্ডিচেৰী (পুডুচেৰী), দমন আদি ইয়াৰ উদাহৰণ। পৰৱৰ্তীকালত বৃটিছৰ ঔপনিৱেশিক ব্যৱস্থাপনাই বোম্বাই (মুম্বাই), মাদ্ৰাজ (চেন্নাই) আৰু কলিকতা (কলকাতা) এই তিনিওটা মুখ্য সংগমস্থললৈ (nodes) আধিপত্য বিস্তাৰ কৰি তেওঁলোকৰ নিজাধৰণে চহৰকেইখন গঢ়ি তুলিছিল। অতি কম সময়ৰ ভিতৰতেই বৃটিছসকলে ভাৰতৰ সৰু সৰু ৰাজ্যবোৰৰ উপৰিও পাৰ্বত্য স্বাস্থ্যনিবাস, গ্ৰীষ্মকালীন অৱসৰ বিনোদনৰ বাবে উচ্চ স্থানত প্ৰশাসনীয় কেন্দ্ৰবোৰ স্থাপন কৰিছিল। লগে লগে অসামৰিক শাসন আৰু সামৰিক শাসনৰ প্ৰতিষ্ঠা কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছিল। ১৮৫০ চনৰ পিচত আধুনিক শিল্প নগৰ গঢ়ি উঠিছিল। ইয়াৰ উদাহৰণ হ'ল জামছেদপুৰ।

স্বাধীনোত্তৰকালত ভাৰতবৰ্ষত কেইবাখনো চহৰ গঢ়ি উঠে। এই চহৰবোৰ মুখ্যতঃ ৰাজ্যৰ ৰাজধানী বা প্ৰশাসনিক নগৰ হিচাপে গঢ়ি উঠে। চণ্ডীগড়, ভুবনেশ্বৰ, গান্ধীনগৰ, দিছপুৰ, ইত্যাদি, শিল্পকেন্দ্ৰিক নগৰ যেনে ভিলাই, দুৰ্গাপুৰ, সিন্ধ্ৰি-বাৰাউনী ইত্যাদি। পুৰণি বৃহৎ নগৰসমূহৰ আশে-পাশে কিছুমান উপগ্ৰহ নগৰীও (satellite town) গঢ়ি উঠে। উদাহৰণস্বৰূপে দিল্লীৰ আশে-পাশে গঢ়ি উঠা গাজিয়াবাদ, ৰ'হটক, গুৰগাঁও আদিৰ নাম উল্লেখযোগ্য। গ্ৰামাঞ্চলৰ ঠাই বিশেষে সঞ্চয় (Investment) বঢ়াৰ লগে লগে কিছুমান সৰু সৰু চহৰ গঢ়ি উঠে।

## ভাৰতৰ নগৰীকৰণ

তালিকা ৪১ ঃ ১৯০১-২০০১ চনৰ ভিতৰত ভাৰতবৰ্ষৰ নগৰীকৰণৰ ধাৰা

| বছৰ | নগৰৰ সংখ্যা | নগৰীয়া জনসংখ্যা (হাজাৰত) | শতাংশত মুঠ জনসংখ্যা | দহবছৰীয়া বৃদ্ধি (%) |
|---|---|---|---|---|
| ১৯০১ | ১,৮২৭ | ২৫,৮৫১.৯ | ১০.৮৪ | — |
| ১৯১১ | ১,৮১৫ | ২৫,৮৯৪১.৬ | ১০.২৯ | ০.৩৫ |
| ১৯২১ | ১,৯৪৯ | ২৮,০৮৬.২ | ১১.১৮ | ৮.২৭ |
| ১৯৩১ | ২,০৭২ | ৩৩,৪৫৬.০ | ১১,৯৯ | ১৯.১২ |
| ১৯৪১ | ২,২৫০ | ৪৪,১৫৩.৩ | ১৩.৮৬ | ৩১.৯৭ |
| ১৯৫১ | ২,৮৪৩ | ৬২,৪৪৩.৭ | ১৭.২৯ | ৪১.৪২ |
| ১৯৬১ | ২.৩৬৫ | ৭৮,৯৩৬.৬ | ১৭.২৯ | ৪১.৪২ |
| ১৯৭১ | ২,৫৯০ | ১,০৯,১১৪ | ১৯.৯১ | ৩৮.২৩ |
| ১৯৮১ | ৩,৩৭৮ | ১,৫৯,৪৬৩ | ২৩.৩৪ | ৪৬.১৪ |
| ১৯৯১ | ৪,৬৮৯ | ২,১৭,৬১১ | ২৫,৭১ | ৩৬.৪৭ |
| ২০০১ | ৫,১৬১ | ২,৮৫,৩৫৫ | ২৭.৭৮ | ৩১.১৩ |

Fig 4.1 ঃ ভাৰতৰ নগৰীকৰণ (১৯০১-২০০১)

নগৰীকৰণৰ স্তৰ বুলিলে কোনো এটা অঞ্চলৰ মুঠ জনসংখ্যাৰ কিমান শতাংশ লোক নগৰত বাস কৰে তাৰেই আভাস দিয়ে। ২০০১ চনত ভাৰতৰ নগৰীয়া জনসংখ্যা আছিল ২৮ শতাংশ। বিশ্বৰ উন্নত দেশসমূহৰ তুলনাত এয়া যথেষ্ট নিম্নখাপৰ। কুৰি শতিকাত নগৰীয়া জনসংখ্যা প্ৰায় এঘাৰগুণ বৃদ্ধি হৈছে। নগৰবোৰৰ আকাৰ বাঢ়িছে আৰু আন নতুন ঠাইত বিভিন্ন প্ৰাকৰ্যৰে নতুন নগৰ গঢ়ি উঠিছে আৰু দেশৰ নগৰীকৰণৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাইছে (তালিকা ৪.১)। বিগত দুটা দশকত নগৰীকৰণ লেহেমীয়া হৈছে।

### জনসংখ্যাৰ আকাৰৰ ভিত্তিত নগৰৰ শ্ৰেণীবিভাগ ঃ

ভাৰতৰ লোকপিয়লত নগৰবোৰক মুঠ ৬টা শ্ৰেণীত বিভক্ত কৰা হৈছে। (তালিকা ৪.২)। একলাখ নাইবা ততোধিক জনসংখ্যা থকা পৌৰবসতিক মহানগৰ (city) বা প্ৰথম শ্ৰেণীৰ নগৰ/চহৰ (town) বোলে। ১ নিযুতৰ পৰা ৫ নিযুতপৰ্যন্ত জনসংখ্যা থকা পৌৰবসতিক মেট্ৰ'পলিটান মহানগৰ আৰু ৫ নিযুততকৈ অধিক জনসংখ্যাৰ পৌৰবসতিক অতি মহানগৰ (mega city) বোলে। অধিকাংশ মেট্ৰ'পলিটান আৰু অতিমহানগৰ দৰাচলতে কেন্দ্ৰীকৃত পৌৰবসতি স্থল। কেন্দ্ৰীকৃত পৌৰবসতি তলত উল্লেখ কৰা তিনিটা সংযোজনৰ (contribution) যিকোনো এটাৰ কাৰণে হ'ব পাৰে (i) এখন চহৰ আৰু ইয়াৰ পাশ্বৰতী এলেকাৰ পৌৰ সম্প্ৰসাৰণ ঘটি, (ii) দুখন ওচৰা-উচৰিকৈ থকা মহানগৰৰ লগত লগলাগি আৰু (iii) এখন মহানগৰ আৰু একাধিক সংলগ্ন চহৰৰ একেলেথাৰিয়ে হোৱা পাৰ্শ্বীয় সম্প্ৰসাৰণ। উদাহৰণস্বৰূপে ৰে'লৰে ক'ল'নিৰ সম্প্ৰসাৰণ, বিশ্ববিদ্যালয়-আবাসিক এলেকা, বন্দৰৰ পাৰ্শ্বৱৰ্তী অঞ্চল, সামৰিক আদিৰ সম্প্ৰসাৰণ হৈ ৰাজহ গাঁৱৰ পৰিধি বৰ্ধন হৈ দাঁতিকাষৰীয়া চহৰৰ স'তে সংযুক্ত (merge) হ'লে পৌৰ এলেকাধীন ঠাইৰ পৰিধি বৃদ্ধি হয়।

Dailyassam.com

তালিকা ৪.২ৰ পৰা বুজা যায় যে ভাৰতৰ শতকৰা প্ৰায় ৬০ ভাগ নগৰীয়া জনসংখ্যাই প্ৰথম শ্ৰেণীৰ মহানগৰত বাস কৰে। ভাৰতবৰ্ষৰ ৪৩২ খন চহৰৰ ভিতৰত ৩৫ খনেই মেট্ৰ'পলিটান মহানগৰ। ৬ খন অতি মহানগৰ আৰু প্ৰতিখনৰেই জনসংখ্যা ৫ নিযুতকৈও অধিক। ভাৰতৰ মুঠ পৌৰ বাসিন্দাৰ এক পঞ্চমাংশই (২১ শতাংশ) ৬ খন অতিমহানগৰত বাস কৰে।

প্ৰায় ১৬.৪ নিযুত পৌৰবাসিন্দাৰ স'তে মুম্বাই ভাৰতৰ সৰ্ববৃহৎ কেন্দ্ৰীকৃত পৌৰবসতিস্থল। আন অতিমহানগৰবোৰ হ'ল কলিকতা, দিল্লী, চেন্নাই, বাংগালোৰ আৰু হায়দৰাবাদ।

## প্ৰকাৰ্যৰ ভিত্তিত নগৰৰ শ্ৰেণীবিভাজন ঃ

কেন্দ্ৰীয় ঠাই হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে বহুতো নগৰ আৰু চহৰে কিছুমান কামৰ বিশেষ ঠাই হিচাপেও ভূমিকা লয়। কিছুমান বিশেষ কাৰ্য, দ্ৰব্য আৰু কামৰ ভিত্তিত নগৰ আৰু চহৰবোৰৰ শ্ৰেণী বিভাজন কৰিব পাৰি। অৱশ্যে প্ৰতিখন নগৰেই একাধিকসংখ্যক কাৰ্যৰ লগত জড়িত থাকে। শাসন আৰু বিশেষ কিছুমান কামৰ ভিত্তিত ভাৰতবৰ্ষৰ নগৰ আৰু চহৰবোৰক বহুলভাৱে তলত উল্লেখ কৰাধৰণে শ্ৰেণী বিভাজন কৰিব পাৰি।

**প্ৰশাসনীয় নগৰ আৰু চহৰ ঃ** উচ্চখাপৰ প্ৰশাসনীয় কাৰ্যালয়সমূহ অৱস্থিত নগৰসমূহ এই শ্ৰেণীত পৰে। যেনে— চণ্ডীগড়, নতুন দিল্লী, ভূপাল, শ্বিলং, গুৱাহাটী, ইম্ফল, শ্ৰীনগৰ, গান্ধীনগৰ, জয়পুৰ, চেন্নাই ইত্যাদি।

**ঔদ্যোগিক নগৰ ঃ** ঔদ্যোগিক দিশত মুখ্য ভূমিকা লোৱা নগৰসমূহ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। মুম্বাই, চালেম, কুইম্বাটুৰ, মুদিন নগৰ, জামছেদপুৰ, হুগলী, ভিলাই ইত্যাদি।

**পৰিবহণ নগৰ ঃ** মূলতঃ আমদানি-ৰপ্তানি কাৰ্যৰ সৈতে সম্পৰ্ক থকা সাগৰ উপকূলীয় অঞ্চলবোৰ যেনে— কান্ধলা, কোচি, কুঝিকৰ, বিশাখাপট্টনম ইত্যাদি আৰু আন্তঃপৰিবহণ কেন্দ্ৰবোৰ যেনে— আগ্ৰা, ধুলিয়া, মোগল চৰাই, কাটনি, ইটাৰচি ইত্যাদি এই শ্ৰেণীৰ নগৰ।

**বাণিজ্যিক নগৰ ঃ** বেহা-বেপাৰ আৰু বাণিজ্যভিত্তিত গঢ় লৈ উঠা নগৰবোৰেই বাণিজ্যিক নগৰয কলকাতা, চাটনা, সাহৰনপুৰ ইত্যাদি এই শ্ৰেণীৰ নগৰ।

**খনিভিত্তিক নগৰ ঃ** এই শ্ৰেণীৰ নগৰসমূহ খনিজ পদাৰ্থৰে উভৈনদী এলেকাসমূহত গঢ় লৈ উঠা। যেনে— ৰাণীগঞ্জ, ঝাৰিয়া, ডিগবৈ, অংকলেশ্বৰ, সিংগ্ৰৌলী ইত্যাদি।

**সেনাবাহিনীৰ ছাউনিকেন্দ্ৰিক নগৰ ঃ** আমবেলা, জলন্ধৰ, মহঅ', ববিনা, উধামপুৰ আদি নগৰবোৰ সেনাবাহিনীৰ ছাউনীৰভিত্তিত গঢ় লৈ উঠা।

**শিক্ষাভিত্তিক নগৰ ঃ** শিক্ষাৰ প্ৰাৰম্ভিক কেন্দ্ৰ হিচাপে গঢ় লৈ উঠা কিছুমান ঠাই পিছলৈ শিক্ষাৰ কেন্দ্ৰীয় চৌহদলৈ পৰিৱৰ্তিত হয়। এইবোৰৰ ভিতৰত ৰুৰকি, বাৰাণসী, আলিগড়, পিলানী, এলাহাবাদ আদি উল্লেখযোগ্য।

আঞ্চলিক আৰু সাংস্কৃতিক নগৰ ঃ বাৰাণসী, মথুৰা, অমৃতসৰ, মাদুৰাই, পুৰী, আজমিৰ, উটী, মাউণ্ট আবু আদিবোৰ নগৰ মূলতঃ পৰ্যটকৰ আকৰ্ষণৰ ভিত্তিত গঢ় লৈ উঠা।

ওপৰত উল্লিখিত নগৰসমূহ সিহঁতৰ কাৰ্যৰ ক্ষেত্ৰত স্থিতিশীল নহয়। নগৰবোৰৰ গতিশীল প্ৰকৃতিৰ ভিত্তিত সিহঁতৰ কাৰ্যবোৰ সলনি হয়। উদ্যোগ, বাণিজ্য, প্ৰশাসন, পৰিবহণ ইত্যাদি বহুমাত্ৰিক কাৰকসমূহে একোটা অঞ্চলক একোখন মুখ্য নগৰলৈ পৰিবৰ্তি হোৱাত বিশেষভাৱে ক্ৰিয়া কৰে। এই কাৰকসমূহ ইমান ওচৰভাৱে সম্পৰ্কিত যে একোখন নগৰক কেৱল একোটা বিশেষ কাৰ্যৰ ভিত্তিত গঢ় লোৱা বুলি কোৱাত যথেষ্ট বাধা আছে।

Dailyassam.com

তালিকা ৪.৩ ঃ ভাৰতবৰ্ষৰ মিলিয়নযুক্ত নগৰসমূহৰ জনসংখ্যা। মুঠ নগৰীয়া জনসংখ্যা ২০০১

| স্থান | নগৰীয়া জনসংখ্যা থকা ঠাইসমূহ/নগৰ | জনসংখ্যা (মিলিয়নত) |
|---|---|---|
| ১ | বৃহত্তৰ মুম্বাই | ১৬.৩৭ |
| ২ | কলকাতা | ১৩.২২ |
| ৩ | দিল্লী | ১২.৭৯ |
| ৪ | চেন্নাই | ৬.৪২ |
| ৫ | বেংগুলুৰ | ৫.৬৯ |
| ৬ | হায়দৰাবাদ | ৫.৬৯ |
| ৭ | আহমেদাবাদ | ৪.৫২ |
| ৮ | পুনে | ৩.৭৬ |
| ৯ | চুৰাট | ২.৮১ |
| ১০ | কানপুৰ | ২.৬৯ |
| ১১ | জয়পুৰ | ২.৩২ |
| ১২ | লক্ষ্ণৌ | ২.২৭ |
| ১৩ | নাগপুৰ | ২.১২ |
| ১৪ | পাটনা | ১.৭১ |
| ১৫ | ইন্দৰ | ১.৬৪ |
| ১৬ | ভেডুডাৰা | ১.৪৯ |
| ১৭ | ভূপাল | ১.৪৫ |
| ১৮ | কইম্বাটুৰ | ১.৪৫ |
| ১৯ | লুধিয়ানা | ১.৩৯ |
| ২০ | কুচি | ১.৩৬ |
| ২১ | বিশাখাপট্টনম | ১.৩৩ |
| ২২ | আগ্ৰা | ১.৩২ |
| ২৩ | বাৰাণসী | ১.২১ |
| ২৪ | মাদুৰাই | ১.১৯ |
| ২৫ | মিৰাট | ১.১৭ |
| ২৬ | নাচিক | ১.১৫ |
| ২৭ | জব্বলপুৰ | ১.১২ |
| ২৮ | জামছেদপুৰ | ১.১০ |
| ২৯ | আচানচল | ১.০৯ |
| ৩০ | ধানবাদ | ১.০৬ |
| ৩১ | ফৰিদাবাদ | ১.০৫ |
| ৩২ | এলাহাবাদ | ১.০৫ |
| ৩৩ | অমৃতসৰ | ১.০১ |
| ৩৪ | বিজয়ৱাদা | ১.০১ |
| ৩৫ | ৰাজকোট | ১.০০ |
| | মুঠ | ১০৭.৮৮ |

তালিকা ৪.২ : ভাৰতবৰ্ষৰ শ্ৰেণীভিত্তিক নগৰ আৰু চহৰৰ সংখ্যা আৰু সেইবোৰৰ জনসংখ্যা, ২০০১

| শ্ৰেণী | সংখ্যাৰ আকাৰ | সংখ্যা | জনসংখ্যা (মিলিয়নত) | শতাংশত মুঠ নগৰীয়া জনসংখ্যা | ১৯৯১-২০০১ চনৰ ভিতৰত শতাংশ বৃদ্ধি |
|---|---|---|---|---|---|
| আটাইবোৰ শ্ৰেণীৰ সৰ্বমুঠ | | ৫১৬১ | ২৮৫.৩৫ | ১০০ | ৩১.১৩ |
| i | ১,০০,০০০ আৰু ইয়াতকৈ বেছি | ৪২৩ | ১৭২.০৪ | ৬১.৪৮ | ২৩.১২ |
| i | ৫০,০০০-৯৯,৯৯৯ | ৪৯৮ | ৩৪.৪৩ | ১২.৩ | ৪৩.৪৫ |
| iii | ২০,০০০-৪৯.৯১১ | ১৩৮৬ | ৪১.৯৭ | ১৫.০ | ৪৬.১৯ |
| iv | ১০,০০০-৯,৯৯৯ | ১৫৬০ | ২২.৬ | ৮.০৮ | ৩২.৯৪ |
| v | ৫,০০০-৯,৯৯৯ | ১০৫৭ | ৭.৯৪ | ২.৮৫ | ৪১.৪৯ |
| vi | ৫,০০০তকৈ কম | ২২৭ | ০.৮ | ০.২৯ | ২১.২১ |

## অনুশীলনী

**১। শুদ্ধ উত্তৰটো বাছি উলিওৱা—**

(i) তলত দিয়া কোনখন চহৰ নদীৰ তীৰত অৱস্থিত নহয়

(ক) আগ্ৰা (গ) পাটনা

(খ) ভূপাল (ঘ) কলকাতা

(ii) লোক পিয়ল অনুসৰি কোনটো সংজ্ঞা চহৰৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়?

(ক) জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰ ৪০০ জন।

(খ) মিউনিচিপেলিটি, নিগমৰ ব্যৱস্থা থকা

(গ) ৭৫ শতাংশ লোক প্ৰাথমিক বৃত্তিত নিয়োজিত থাকিব লাগিব।

(ঘ) জনসংখ্যাৰ আকাৰৰ ক্ষেত্ৰত ৫,০০০ জন বা ততোধিক থকা।

(iii) তলত উল্লেখ কৰা কোনটো পৰিবেশত বিৰল বসতি আশা কৰিব নোৱাৰি?

(ক) গংগা উপত্যকাৰ পলসুৱা সমভূমিত

(খ) ৰাজস্থানৰ অৰ্ধশুষ্ক আৰু শুকান মৰুভূমিত

(গ) হিমালয়ৰ নামনি উপত্যকা অঞ্চলত

(ঘ) উত্তৰ-পূব ভাৰতৰ বননি/অৰণ্যাবৃত আৰু পাহাৰীয়া অঞ্চলত

(iv) নিম্ন উল্লেখিত কোনটো চহৰ গোট আকৃতিৰ অনুক্ৰমৰ ১, ২, ৩ আৰু ৪ৰ অনুক্ৰমত আছে?

(ক) মুম্বাই, বাংগালোৰ, চেন্নাই, কলকাতা

(খ) দিল্লী, মুম্বাই, চেন্নাই, কলিকতা

(গ) কলিকতা, মুম্বাই, চেন্নাই, দিল্লী

(ঘ) মুম্বাই, কলিকতা, দিল্লী, চেন্নাই

২। ৩০টামান শব্দৰ ভিতৰত উত্তৰ লিখা—

(i) গেৰিচন (garrission) চহৰ কি? ইয়াৰ প্ৰকাৰ্য লিখা।

(ii) নগৰ কেন্দ্ৰীকৰণ কেনেকৈ চিনাক্ত কৰিব পাৰি?

(iii) মৰুভূমি অঞ্চলত গ্ৰাম্য বসতি স্থাপন হ'বলৈ কি কাৰকৰ অভাৱ দেখা যায়?

(iv) মেট্ৰ'পলিটান মহানগৰ কি? পৌৰ কেন্দ্ৰীকৰণৰ লগত ইয়াৰ পাৰ্থক্য কি?

৩। ১৫০টামান শব্দৰ ভিতৰত উত্তৰ লিখা—

(i) গ্ৰাম্য বসতিৰ বিভিন্ন অবয়ৱবোৰ বৰ্ণনা কৰা। বিভিন্ন প্ৰাকৃতিক পৰিবেশত বসতিৰ আৰ্হিত প্ৰভাৱ বিস্তাৰ কৰা কাৰকবোৰ কি?

(ii) একক প্ৰকাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠা চহৰ থকাটো অনুমান কৰিব পাৰিনে? নগৰবোৰ একাধিক প্ৰকাৰ্যৰ হোৱাৰ কাৰণ কি?

❑❑❑

Dailyassam.com